# এছ টেলৰ ‘প্ৰেম কা বন্ধন’

## এছ টেলে মুকলি কৰিছে ভেলেণ্টাইন্‌ছ ডে’ৰ বিশেষ ‘প্ৰেম কা বন্ধন’ প্ৰতিযোগিতা

গুৱাহাটী, ৯ ফেব্ৰুৱাৰী ২০১১: এইবাৰৰ ভেলেণ্টাইন্‌ছ ডে’ক বিশেষভাৱে সজাই তুলিবলৈ আপোনাৰ নিজৰ ফোন এছ টেলে ইয়াৰ প্ৰিয় উপভোক্তাসকলৰ বাবে লৈ আহিছে ‘প্ৰেম কা বন্ধন’ নামৰ এক নতুন প্ৰতিযোগিতা। এই প্ৰতিযোগিতাৰ জৰিয়তে এছ টেলৰ সকলো উপভোক্তাই তেওঁলোকৰ প্ৰিয়জনৰ সৈতে সম্পৰ্ক গঢ়ি তোলাৰ লগতে অত্যন্ত আকৰ্ষণীয় পুৰস্কাৰ জয়ৰো সুযোগ পাব।

সপ্তাহজোৰা এই ‘প্ৰেম কা বন্ধন’ প্ৰতিযোগিতাৰ অধীনত লাভ কিউপিডে এছ টেলৰ উপভোক্তাসকলক ফোন কৰিব তথা প্ৰেম আৰু ভেলেণ্টাইন্‌ছ ডে’ সম্পৰ্কে তেওঁলোকক বিভিন্ন প্ৰশ্ন সুধিব। সৰ্বাধিক নম্বৰ পোৱা ১০জন উপভোক্তা দ্বিতীয় পৰ্যায়ৰ শ্লোগান প্ৰতিযোগিতালৈ বাছনি হ’ব। এই ১০জন উপভোক্তাই ‘এছ টেল কিয় তেওঁলোকৰ প্ৰিয় ব্ৰেণ্ড’ সেই বিষয়ে এটা শ্লোগান লিখি এছ এম এছৰ জৰিয়তে ৫৮৯১৬ নম্বৰলৈ পঠাই দিব লাগিব। ইয়াৰ মাজৰ পৰা এছ টেলে বাছি উলিয়াব তিনিটা শ্ৰেষ্ঠ শ্লোগান আৰু এই নিৰ্বাচিত শ্লোগানকেইটা লিখা তিনিওজন উপভোক্তা হ’ব এছ টেলৰ ‘প্ৰেম কা বন্ধন’ প্ৰতিযোগিতাৰ বিজয়ী!

এছ টেলৰ ‘প্ৰেম কা বন্ধন’ প্ৰতিযোগিতাৰ বিজয়ী হিচাপে এই তিনিওগৰাকী সৌভাগ্যবান বিজেতাই লাভ কৰিব ৰোমাণ্টিক কেণ্ডেল লাইট ডিনাৰ কুপন আৰু আন পাঁচগৰাকী বিজয়ীয়ে সান্ত্বনা পুৰস্কাৰ হিচাপে লাভ কৰিব বিনামূলীয়া মুভী হেম্পাৰ! মৰম-ভালপোৱা বিয়পাই উপভোক্তাসকলৰ সৈতে সঁচা অৰ্থত ভেলেণ্টাইন্‌ছ ডে’ উদ্‌যাপন কৰিবৰ বাবে এছ টেলে এই প্ৰতিযোগিতাৰ আয়োজন কৰিছে।

ইয়াৰ উপৰি এছ টেলে ইয়াৰ উপস্থিতি উপলব্ধ হোৱা সকলো বজাৰৰ উপভোক্তাসকলৰ বাবে বিশেষ মূল্যৰ বিনিময়ত ইয়াৰ ৱেপ্ আৰু জি পি আৰ এছ সেৱা উন্নত কৰি তুলিছে। উপভোক্তাৰ অভাৱসমূহ পূৰণৰ বাবে গ্ৰহণ কৰা লক্ষ্যৰ অধীনত এছ টেলে ইয়াৰ প্ৰচুৰ কনটেণ্ট-সমৃদ্ধ ৱেপ্ পৰ্টেল ‘এছ টেল আড্ডা’ক নতুন ৰূপত সজাই-পৰাই তুলি ইয়াক এক সতেজ, নতুন তথা আকৰ্ষণীয় ৰূপ

প্ৰদান কৰিছে। এছ টেলৰ জি পি আৰ এছ সেৱা 'ই লাইফ'ৰ জৰিয়তে উপভোক্তাসকলে হাই স্পীড ইণ্টাৰনেট এক্সেছ আৰু ডাউনল'ডৰ সুবিধাও লাভ কৰিব পাৰিব।

অসম আৰু উত্তৰ-পূৰ্বাঞ্চলত যিকোনো লেণ্ডলাইন অথবা মোবাইল নম্বৰৰ পৰা ৯১২৭০১২৩৪৫ নম্বৰত এছ টেলৰ উপভোক্তা সেৱা উপলব্ধ। ইয়াৰ উপৰি এছ টেল ব্যৱহাৰকাৰীসকলে নিঃশুল্ক উপভোক্তা সেৱা নম্বৰ ১২১২ৰ জৰিয়তেও আৱশ্যকীয় সেৱা গ্ৰহণ কৰিব পাৰিব।

**এছ টেল প্ৰাইভেট লিমিটেড (এছ টেল)ৰ বিষয়ে:**

ভাৰতত ২০০৯ৰ ডিচেম্বৰত সেৱা আৰম্ভ কৰা এছ টেল প্ৰাইভেট লিমিটেড (এছ টেল) হ'ল শিৱ গ্ৰুপ (পূৰ্বৰ ষ্টাৰ্লিং ইনফ'টেক্ গ্ৰুপ) আৰু বাহৰেইন টেলিকমিউনিকেশ্যনছ কোম্পানী (বাটেল্ক')ৰ এক যুটীয়া উদ্যোগ।

দিল্লীৰ এন চি আৰ অঞ্চলত মুখ্য কাৰ্যালয় থকা এছ টেলে ইতিমধ্যে উৰিষ্যা, বিহাৰ, হিমাচল প্ৰদেশ, উত্তৰ-পূব, অসম আৰু জম্মু-কাশ্মীৰ– এই চাৰ্ক'লসমূহত সেৱা আগবঢ়াবৰ বাবে ইউনিফাইড এক্সেছ ছাৰ্ভিচেজ লাইচেন্সেজ আৰু স্পেকট্ৰাম লাভ কৰিছে। ভাৰতত শেহতীয়াকৈ অনুষ্ঠিত স্পেকট্ৰাম নিলামত থ্ৰী জি লাইচেন্স লাভ কৰা এছ টেলেই হ'ল আটাইতকৈ নতুন টেলিকম অপাৰেটৰ। থ্ৰী জি স্পেকট্ৰাম আহৰণ আৰু সেৱা প্ৰদানৰ বাবে ৭০০ কোটি টকা বিনিয়োগ কৰিবলৈ কোম্পানীটোৱে পৰিকল্পনা লৈছে।

শিৱ গ্ৰুপ হ'ল ৩০০ কোটি মাৰ্কিন ডলাৰ (প্ৰায় ১৪,০০০ কোটি টকা) মূল্যৰ এটা বাণিজ্যিক গোট। বায়ু শক্তি, জাহাজ পৰিবহণ আৰু লজিষ্টিক্স, হস্পিটেলিটী আৰু ৰিয়েল্টী, সংবাদ মাধ্যম, ই পি চি, শিক্ষা আৰু কৃষি বাণিজ্যকে ধৰি বিভিন্ন ক্ষেত্ৰত এই গোটটোৱে ব্যৱসায় কৰি আহিছে। বাহৰেইনত মুখ্য কাৰ্যালয় থকা বাটেল্ক' হ'ল এক সমন্বিত টেলিকমিউনিকেশ্যনছ অপাৰেটৰ, যিয়ে মোবাইল, ফিক্সড আৰু ৱায়াৰলেছ ব্ৰ'ড্‌বেণ্ড, ডাটাকম্ তথা ফিক্সড লাইন সেৱা আগবঢ়াই আহিছে। মধ্য প্ৰাচ্য, উত্তৰ আফ্ৰিকা আৰু এছিয়াৰ ৭খন বজাৰত ইয়াৰ ব্যৱসায় আছে।


**সংবাদ মাধ্যমৰ বাবে যোগাযোগৰ সবিশেষ:**

**এছ টেল প্ৰাইভেট লিমিটেড**

মনীষা গখাৰ +৯১ ৯৬৫০৫৯০৮১২/ manisha.gakhar@stel.in

**কৰ্প'ৰেট ভইচ ৱেবাৰ শ্বেণ্ডৱিক**

নিতীন যাদৱ +৯১ ৯৮১১২৭৮৯২০/ nitin@corvoshandwick.co.in